জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫১৪/২০২০

ভাৰতীয় বায়ু সেনাত অত্যাধুনিক ৰাফেল যুঁজাৰু বিমানৰ সংযোজনে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰি তুলিব ঃ মুখ্যমন্ত্ৰী

প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীক মুখ্যমন্ত্ৰীৰ অভিনন্দন

দিছপুৰ, ২৯ জুলাই ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় বায়ু সেনাবাহিনীত পাঁচখনকৈ অত্যাধুনিক ৰাফেল যুঁজাৰু বিমানৰ সংযোজনে ভাৰতৰ সামৰিক শক্তিক এক অনন্য ৰূপ প্ৰদান কৰিলে বুলি কয়। আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আজিৰ দিনটো ভাৰতবৰ্ষৰ জনগণৰ বাবে এক গৌৰৱৰ দিন। ৰাফেল বিমান ভাৰতীয় বায়ু সেনা বাহিনীত সংযোজনেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৱল নেতৃত্বত ভাৰতৰ সামৰিক বাহিনীয়ে এক নতুন মাত্ৰা লাভ কৰিলে। এই অত্যাধুনিক বিমানৰ সংযোজনে দেশৰ প্ৰতিৰক্ষা তথা সুৰক্ষা ব্যৱস্থাক আৰু অধিক শক্তিশালী কৰি তুলিলে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

পুঃডেঃ
২৯/০৭/২০২০